No. of Printed Pages—3

439 (AU)

[16–HDGKACRM–M2]

MA 2nd Semester Exam., 2016

ASSAMESE

(Code : MAS07)

(অসমীয়া উপন্যাস)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) উপন্যাস-সাহিত্যৰ আৰম্ভণী কেনেদৰে হ'ল, বুজাই লিখক।

(খ) ঐতিহাসিক উপন্যাস মানে কি ?

(গ) ৰজনীকান্ত বৰদলৈক কিয় অসমৰ স্কট বুলি কোৱা হয় ?

(ঘ) বৰদলৈৰ উপন্যাসত অসমৰ ধৰ্মীয় দিশৰ কেনে চিত্ৰ প্ৰস্ফুটিত হৈছে ?

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা উপন্যাস দহখনৰ নাম লিখক।

(চ) মালিকৰ উপন্যাসত হিন্দু-মুছলমানৰ সম্প্ৰীতি কেনেদৰে ফুটি উঠিছে?

২। তলৰ প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) চমু টোকা লিখক : নিৰঞ্জন চৰিত্ৰটো।
(ৰাজপথে ৰিঙিয়াই)

(খ) অসমীয়া সমাজব্যৱস্থাত নতুনকৈ সৃষ্টি হোৱা মধ্যবিত্ত শ্ৰেণীটোৰ চৰিত্ৰ বিৰিঞ্চি কুমাৰ বৰুৱাই কেনেদৰে 'জীৱনৰ বাটত' উপন্যাসখনত ফুটাই তুলিছে?

(গ) 'জীয়া জুৰিৰ ঘাট' উপন্যাসখনত ঔপন্যাসিকে গ্ৰাম্যজীৱন আৰু নগৰীয়া জীৱনৰ চিত্ৰ কেনেদৰে অংকন কৰিছে? বুজাই লিখক।

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত প্ৰতীকৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) ঐতিহাসিক উপন্যাস হিচাপে 'নিৰ্মল ভকত'খন বিশ্লেষণ আগবঢ়াওক।

(খ) 'নিৰ্মল ভকত' উপন্যাসখন অতিপ্ৰাকৃতিক পৰিৱেশ কেনেদৰে প্ৰকাশ কৰিছে, নিজৰ ভাষাত লিখক।

(গ) '' 'জীৱনৰ বাটত' উপন্যাসখনত চিত্ৰিত হোৱা তগৰ চৰিত্ৰটোক গ্ৰামীণ সভ্যতাৰ শেষ প্ৰতিনিধি হিচাপেও বহুতে ক'ব খোজে।'' কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত ইন্দ্ৰনাথৰ মনৰ দ্বন্দ্বাত্মক স্থিতি সম্পৰ্কে আলোচনা আগবঢ়াওক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) প্ৰাক্-স্বাধীনতা আৰু স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি তুলনামূলক আলোচনা লিখক।

(খ) 'ৰাজপথে ৰিঙিয়াই' উপন্যাসখনৰ মাজত সমাজবাদী আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে, বহলাই আলোচনা কৰক।

(গ) 'জীৱনৰ বাটত' উপন্যাসখনত বিৰিঞ্চি কুমাৰ বৰুৱাৰ সাধনাৰ কলাত্মক আৱেদন কেনেদৰে বিচ্ছুৰিত হৈছে তাৰে এটি লেখ আগবঢ়াওক।

(ঘ) 'জীয়া জুৰিৰ ঘাট' উপন্যাসখনত প্ৰতিফলিত হোৱা মানৱতাবাদৰ বিষয়ে লিখি উপন্যাসখনৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰক।

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ নাট্য চৰিত্ৰকেইটাৰ বিশ্লেষণ আগবঢ়াই তাৰ মাজেদি কেনেদৰে প্ৰতিবাদী সত্তাৰ প্ৰকাশ পাইছে সেয়া বিচাৰ কৰক।

★ ★ ★